# অসম বিধান সভা
## *তৰাযুক্ত প্ৰশ্ন নং-৬১
## উত্তৰ দিয়াৰ তাৰিখ-০৯-০৭-২০২৬

বিধায়কৰ নামঃ মোঃ আশ্ৰাফুল ইছলাম শ্বেখ
বিষয়ঃ অসমৰ উচ্চ শিক্ষা আৰু প্ৰাদেশিকীকৰণ সম্পৰ্কে

প্ৰশ্নঃ

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) পৰ্বতঝোৰা বিধান সভা সমষ্টিৰ অন্তৰ্গত এখনো আদৰ্শ বিদ্যালয় স্থাপন হোৱা নাই, চৰকাৰ অৱগতনে?

(খ) মহামায়া ডিগ্ৰী কলেজখন, দেবীতোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়খন কেতিয়া প্ৰাদেশিকীকৰণ কৰা হ'ব?

(গ) অসমৰ মুঠ কিমান সংখ্যক ভেঞ্চাৰ স্কুল আছে আৰু সেই স্কুল সমূহ চৰকাৰে কেতিয়া প্ৰাদেশিকীকৰণ কৰিব?

উত্তৰঃ

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু মহোদয়ে উত্তৰ দিবঃ

(ক) পৰ্বতঝোৰা বিধান সভা সমষ্টিৰ অন্তৰ্গত এলেকাসমূহ BTC ৰ অন্তৰ্ভুক্ত। এই সমষ্টিৰ বিদ্যালয় সমূহ Bodoland Territorial Council ৰ দ্বাৰা পৰিচালিত। এই সমষ্টিত এখনো আদৰ্শ বিদ্যালয় স্থাপন নোহোৱাৰ বিষয়টো বিভাগৰ দৃষ্টিগোচৰ হৈছে। আদৰ্শ বিদ্যালয়ৰ প্ৰয়োজনীয়তা সম্পৰ্কীয় বিষয়ত BTC কৰ্তৃপক্ষৰ পৰা এক প্ৰতিবেদন বিচৰা হব। তেনে প্ৰতিবেদনৰ ভিত্তিত যদি প্ৰয়োজনীয়তা উদ্ভৱ হয়, তেনেহলে আদৰ্শ বিদ্যালয় সংস্থানৰ সৈতে আলোচনা কৰি এক সঠিক সিদ্ধান্ত লব পৰা যাব।

(খ) The Assam Education (Provincialization of Services of Teachers and Re-Organization of Educational Institutions) Act, 2017 as amended 2018 ৰ আওঁতাত পৰা সকলো বিদ্যালয় ইতিমধ্যে প্ৰাদেশিকীকৰণ কৰা হৈছে। পৰৱৰ্তী সময়ত এই আইনত কিছু শিথিলতা আনি The Assam Education (Provincialization of Services of Teachers and Re-Organization of Educational Institutions) (Amendment Act, 2025) ৰ প্ৰৱৰ্তন কৰা হৈছে। ২০২৫ চনৰ এই সংশোধিত আইন অনুসাৰে চৰকাৰে ইতিমধ্যে অনলাইন পৰ্টেল মুকলি কৰি সংশ্লিষ্ট বিদ্যালয়সমূহৰ পৰা আবেদন বিচৰা হৈছে । আবেদনসমূহৰ লাভ কৰাৰ পিছত নিয়মাৱলী মতে চৰকাৰে পৰীক্ষণ কৰিব।

(গ) UDISE+ 2025-26 ৰ তথ্য অনুসৰি, অসমৰ মুঠ ভেঞ্চাৰ স্কুলৰ সংখ্যা তলত দিয়া ধৰণৰঃ

| স্তৰ | অপ্ৰাদেশীকৃত (ভেঞ্চাৰ) বিদ্যালয়ৰ সংখ্যা |
|---|---|
| নিম্ন প্ৰাথমিক | ১৮১৮ |
| উচ্চ প্ৰাথমিক | ১০১৪ |
| মাধ্যমিক | ৯১৬ |
| উচ্চতৰ মাধ্যমিক | ১৪৪ |
| মুঠ | ৩৮৯২ |

------(উপৰোক্ত প্ৰশ্নোত্তৰ National e-Vidhan Application (NeVA) পৰ্টেলত উপলব্ধ কৰা হৈছে)------